

আজি কিছুবছৰ আগলৈকে আকাশৰ বহু ওপৰত উৰি থকা, বা কোনো ওখ গছত বহি থকা নতুবা মুকলি পৰিৱেশত মৰাশ খাই থকা শগুণৰ জাক সততে চকুত পৰিছিল। গতিকে আজিৰ প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ কাৰণে দুৰ্লভ হ'লেও পুৰণা চাম লোকৰ মনত মুক্ত আকাশৰ বুকুত মুকলি ছন্দত উৰি ফুৰা জাক শগুণৰ নয়নাভিৰাম দৃশ্য আজিও সজীৱ হৈ আছে। কিন্তু বৰ্তমান যেন শগুণবোৰ ক'ৰবাত হেৰাই গ'ল। কিন্তু সিহঁত বোৰ গ'ল ক'লৈ। দুখদায়ক হলেও সেই প্ৰশ্নৰ এটাই উত্তৰ যে আমি কব নোৱাৰাকৈয়ে আমাৰ চৌপাশৰ শগুণবোৰৰ সংখ্যা হ্ৰাস পাই বিলুপ্ত হোৱাৰ পৰ্য্যায় পাইছে। অৱশ্যে বৰ্তমান সময়তঅকল শগুণ বুলিয়েই নহয় অন্যান্য ভালেমান বন্যপ্ৰাণী প্ৰজাতিৰ সংখ্যাও ক্ৰমান্বয়ে কমি আহিছে। হ'লেও শগুণৰ ক্ষেত্ৰত যেন কথাটো অলপ সুকীয়া; বিশেষকৈ দক্ষিণ পূৰ্ব এছীয়াৰ তিনিটা স্থানিক প্ৰজাতি অৰ্থাৎ জীপচ্ বেঙ্গললেনছিছ (পাতি শগুণ), জীপচ্ ইণ্ডিকাচ আৰু জীপচ্ টেনুৰচট্ৰিচ্ (মিহি ঠোঁটৰ শগুণ)ৰ কাৰণে এই সংখ্যা কমি অহা বিষয়টো যেন অধিক গম্ভীৰ। কিয়নো একমাত্ৰ ভাৰততে যোৱা দুটা দশকত এই তিনি প্ৰজাতিৰ শগুণৰ সংখ্যা শতকৰা ৯৭ ত কৈও অধিক হ্ৰাস পাইছে। বিগত এটা দশকত চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানত শগুণৰ সংখ্যাৰ হ্ৰাসৰ এই হাৰ শতকৰা ৯২। শগুণৰ আবাদীৰ ক্ষেত্ৰত একেধৰণৰ দ্ৰুত হ্ৰাস নেপালতো পৰিলক্ষিত হৈছে। ভাৰতীয় উপমহাদেশৰ এই তিনিখন দেশৰ উপৰিও বাংলাদেশ, ভূটান, কম্বোডিয়া, লাউচ, ম্যানমাৰ আৰু ভিয়েটনাম আদি আন এছীয় দেশসমূহতো শগুণৰ সংখ্যা কমি আহিছে। এনেদৰে সমগ্ৰ ভৌগোলিক বিস্তাৰ পৰিধীতে এই তিনি প্ৰজাতিৰ শগুণৰ বহুল আৰু দ্ৰুত হ্ৰাস প্ৰত্যক্ষ কৰি বিশ্ব প্ৰকৃতি সংৰক্ষণ সংস্থাই (IUCN - Red list) ২০০০ চনৰ Red data book ত কেওটি প্ৰজাতিকে চূড়ান্তভাৱে বিলুপ্তপ্ৰায় (Critically endangered) শ্ৰেণীত অন্তৰ্ভুক্ত কৰে। দৰাচলতে বিলুপ্তপ্ৰায় প্ৰজাতিসমূহৰ ভিতৰত যিবোৰ প্ৰজাতিৰ বিলুপ্তিৰ সম্ভাৱনা অত্যন্ত বেছি অৰ্থাৎ যিবোৰ বিলুপ্তিৰ একেবাৰে চৰম পৰ্যায়ত আছে সিহঁতক এই "চূড়ান্তভাৱে বিলুপ্তপ্ৰায়" শ্ৰেণীত ৰখা হয়। ইয়াৰ দ্বাৰা এইটোৱেই স্পষ্ট হয় যে অতি শীঘ্ৰে সংৰক্ষণৰ যথোচিত ব্যৱস্থা গ্ৰহণ নকৰিলে অচিৰেই শগুণৰ এই তিনিটা প্ৰজাতিৰ প্ৰাকৃতিক আবাদীবোৰ চিৰকালৰ কাৰণে পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাব। হয়তো আমাৰ ভৱিষ্যত প্ৰজন্মই আকাশত বিচৰণ কৰা শগুণৰ সুন্দৰ দৃশ্য উপভোগ কৰাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হ'ব।

স্বাভাৱিকতে শগুণৰ এই অভাৱনীয় সংকটজনক স্থিতিয়ে বিজ্ঞানী মহলক সচকিত কৰি তোলে। বিশেষজ্ঞ, বিজ্ঞানী আৰু সংৰক্ষণবিদ্ সকলোৱে এই দুৰ্যোগৰ কাৰণ উদঘাটনত ব্ৰতী হয়। অৱশেষত বহুলানিৰ আলোচনাৰ অন্তত এই অভূতপূৰ্ব ঘটনাৰ কাৰণে দায়ী হব পৰা ৮ টা সম্ভাব্য কাৰক চিনাক্ত কৰা হয়। এই কাৰক কেইটা হ'ল --

১। বাহঁ সজা স্থানৰ অৱলুপ্তি
২। সংক্ৰামক ৰোগ
৩। পশু ঔষধৰ প্ৰয়োগ
৪। পৰিবেশ প্ৰদুষণ
৫। মাংসহাৰী জন্তুক ইচ্ছাকৃত ভাবে বিষ দি পৰোক্ষ ভাৱে শগুণক আক্ৰান্ত কৰা
৬। সুলভ খাদ্যৰ অভাৱ
৭। উৎপীড়ন
৮। যানবাহনৰ দুৰ্ঘটনা আৰু আমোদ ক্ৰীড়া প্ৰভাৱ।

পৰৱৰ্ত্তী পদক্ষেপত ওপৰোক্ত প্ৰতিটো কাৰকৰে শগুণৰ দ্ৰুত হ্ৰাসত কিমানখিনি ভূমিকা হব পাৰে সেই সম্বন্ধে বিশেষজ্ঞ মহলে উপলব্ধ তথ্যবোৰপুনৰ বিতংভাৱে বিবেচনা কৰি এটা সৰ্বসন্মত সিদ্ধান্তত উপনীত হয় যে যদিও প্ৰতিটো কাৰকেই প্ৰজাতিকেইটাৰ সংখ্যাৰ হ্ৰাসৰ বাবে কিছু পৰিমাণে দায়ী, তথাপিও কেওটি কাৰকৰ ভিতৰত প্ৰজাতি তিনিটাক বিলুপ্তিৰ মুখলৈ ঠেলি দিয়াৰ বাবে দায়ী মুখ্য কাৰকটো হ'ল বহুল ব্যৱহৃত পশু ঔষধ - ডাইক্ল'ফেনাক (DICLOFENAC)। তেওঁলোকে এই কথা তথ্য সহকাৰে প্ৰমাণ কৰিবলৈ সক্ষম হয়। পিছে শগুণৰ মৃত্যুদূত এই ডাইক্ল'ফেনাক নো আচলতে কি? আমাৰ সকলোৰে অতি পৰিচত এচপিৰিন্ আৰু ইবুপ্ৰ'ফেন আদিক সামৰি লোৱা অ-ষ্টেৰয়ডীয় (Non-Steroidal), প্ৰতি-দাহী (Anti-inflamatory), ঔষধ গোষ্ঠীৰে এবিধ সদস্য এই ডাইক্ল'ফেনাক। কেটাফ্লেম (Cataflam), ভ'লটাৰেণ (Voltaren), ভ'লটাৰেন - এক্স আৰ. (Voltaren - XR) আদি বিভিন্ন ব্যৱসায়িক নামেৰে চিহ্নিত ভ'লটাৰেণ ঔষধসমূহৰ জাতিগত (Generic name) নামটোৱে হ'ল ডাইক্ল'ফেনাক। অৰ্থাৎ ডাইক্ল'ফেনাক বুলি নিৰ্দ্দিষ্ট কোনো এবিধ ঔষধ নাই বৰং ভালেকেইবিধ দৰৱ ডাইক্ল'ফেনাকৰ অন্তৰ্গত। ঔষধ হিচাপে ডাইক্ল'ফেনাকে জন্তুৰ শৰীৰত বিষ, প্ৰদাহ বা জ্বলন-পোৰণ, উদ্ৰেককাৰী হৰম'নৰ পৰিমান হ্ৰাস কৰি বিষ নিৰাময় কৰে। ১৯৭০ চনত বজাৰত মুকলি কৰি দিয়াৰ দিন ধৰি মানুহৰ ক্ষেত্ৰত এইবিধ ঔষধ বিষ, জ্বৰ বা অন্যান্য জ্বলন-পোৰণ, প্ৰদাহ আদিৰ চিকিৎসাৰ কাৰণে এক নিৰাপদ ঔষধৰ ৰূপত বহুলভাৱে ব্যৱহৃত হৈ আহিছে। কিন্তু ইয়াক পশুৰ ঔষধৰ ৰূপত উত্তৰ আমেৰিকা আৰু ইউৰোপৰ দেশসমূহত প্ৰচলন কৰাৰ অনুমোদন দিয়া হোৱা নাছিল। অৱশ্যে দুৰ্ভাগ্যজনক ভাৱে ভাৰতীয় উপমহাদেশত ডাইক্ল'ফেনাকক পশু ঔষধি ৰূপে বজাৰত মুকলি কৰি দিয়াহয়। ক'বলৈ হ'লে ই উপ-মহাদেশখনত সবাতোকৈ সুলভ পশু ঔষধী আৰু অন্ততঃ বিগত দুটা দশক ধৰি উপমহাদেশখনত ইয়াৰ ব্যৱহাৰ চলি আছে। সাধাৰণতে ঘৰচীয়া গৰু-ম'হৰ বিভিন্ন বেমাৰ তথা আঘাতৰ স'তে জড়িত হৈ থকা প্ৰদাহ, জ্বৰ বা বিষ ইত্যাদি উপসৰ্গৰ চিকিৎসাৰ কাৰণে ডাইক্ল'ফেনাক জাতীয় ঔষধবোৰ বহুলভিত্তিক প্ৰয়োগ কৰা হয়। ১৯৮৮ চনৰপৰা ১৯৯৪ চনৰ মাজৰ সময়চোৱাত পশুৰ চিকিৎসাৰ ক্ষেত্ৰত ডিক্ল'ফেনাকৰ প্ৰয়োগৰ সূচনা কৰা হয় বুলি অনুমান কৰা হৈছে। কেইবাটাও ভাৰতীয় ঔষধ প্ৰস্তুতকাৰী প্ৰতিষ্ঠানে ক্ল'পেনাক যুক্ত পশু ঔষধি তথা অন্যান্য পশু সামগ্ৰী চুবুৰীয়া ৰাষ্ট্ৰসমূহলৈ ৰপ্তানি কৰে আৰু ইয়াৰ ফলত সেই দেশসমূহতো ডাইক্ল'ফেনাকৰ প্ৰচলন বৃদ্ধি পায় বুলি বিশ্বাস কৰা হৈছে। একেদৰে ১৯৯৮ চনৰ পৰাই পাকিস্তানত ব্যৱহৃত হৈ থকা ক্ল'ফেনাক কেৱল দেশখনত প্ৰস্তুত কৰাই নহয় লগতে বিক্ৰীৰ বাবে বজাৰত উলিয়াই দিয়াও হয়। আকৌ এইটোও প্ৰমাণিত হৈছে যে চীনদেশে ডিক্ল'ফেনাক এবিধ পশু ঔষধ হিচাপে কেৱল প্ৰস্তুত বা ব্যৱহাৰেই নকৰে লগতে চুবুৰীয়া ৰাষ্ট্ৰসমূহলৈ ৰপ্তানিও কৰে। নেপাল আৰু বাংলাদেশতো পশু ঔষধৰ ৰূপত ডাইক্ল'ফেনাকৰ বহুল প্ৰচলন তথা প্ৰয়োগ আছে।

এতিয়া প্ৰশ্ন হ'ল ডাইক্ল'ফেনাক কেনেকৈ শগুণৰ ঘাটকত পৰিণত হ'ল? গৱেষণাৰ পৰা দেখা গৈছে যে ১৯৯০ চনৰ আৰম্ভণিৰ পৰাই এই তিনিটা এছীয় শগুণৰ প্ৰজাতিৰ আবাদী ভাৰত, পাকিস্তান আৰু নেপালত দ্ৰুত হাৰত কমিবলৈ লয় যাৰ কাৰণে নেকি আগতে উল্লেখ কৰি যোৱাৰ দৰে বিশ্ব সংৰক্ষণ সংস্থাই ২০০০ চনত প্ৰজাতি তিনিটাক "চৰম বিলুপ্তপ্ৰায়" শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰে। শগুণৰ এই অভাৱনীয় হ্ৰাসৰ কথা প্ৰথম ধৰা পৰে ৰাজস্থানৰ কেওলাদাও ৰাষ্ট্ৰীয় উদ্যানত। বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত কেওলাদাওত ১৯৮৭-৮৮ আৰু ১৯৯৮-৯৯ চনত পাতি শগুণ আৰু দীঘল ঠোঁটৰ শগুণৰ সংখ্যা ক্ৰমে ৯৬ আৰু ৯৭ তকৈও হ্ৰাস পায় বুলি এটা গৱেষণাত প্ৰকাশ পায়। আনকি ১৯৯৯ চনৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা পাতি শগুণৰ প্ৰজাতিটো স্থানীয়ভাৱে বিলুপ্ত হোৱাৰ বিপৰীতে দীঘল ঠোঁটৰ শগুণৰ প্ৰজাতিটো অতিকৈ দুৰ্লভ হৈ পৰে। কেওলাদাওৰ সম-সাময়িক ভাৱে উত্তৰ, মধ্য আৰু পশ্চিম ভাৰতৰ বহুতো ঠাইত ২০০০ চনত চলোৱা এক বিশদ জৰীপত সমগ্ৰ দেশতে উদ্যানখনৰ সমহাৰত হোৱা শগুণৰ সংখ্যাৰ হ্ৰাসৰ এই অকল্পনীয় চিত্ৰখন স্পষ্টকৈ ধৰা পৰে। এইখিনিতে মন কৰিবলগীয়া যে এই একে সময়তে জীপচ্

গণভুক্ত প্ৰজাতি কেইটাক বাদ দি বাকী গণৰ অন্তৰ্ভুক্ত প্ৰজাতিবোৰৰ ক্ষেত্ৰত কিন্তু কোনো আপেক্ষিক পৰিবৰ্ত্তন পৰিলক্ষিত হোৱা নাছিল আৰু সিহঁতৰ সংখ্যা হ্ৰাস পাইছিল যদিও সেই হ্ৰাসৰ হাৰ আছিল তেনেই নগণ্য। একেদৰে প্ৰকৃতিৰ অন্যান্য চাফাইকাৰী যেনে এন্দুৰ, গাহৰি, উদণ্ডীয়া কুকুৰ, কাউৰী বা চিলনীৰ ক্ষেত্ৰটো জীপচ্ গণৰ প্ৰজাতি কেইটাৰ ঘাটক কাৰক বিধৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱিত হোৱাৰ কোনো প্ৰমাণ পোৱা নগ'ল অৰ্থাৎ সেই সময়ছোৱাত এই বিলাক চাফাইকাৰী প্ৰাণীৰ সংখ্যাৰ ক্ষেত্ৰত কোনো লক্ষনীয় পৰিবৰ্ত্তন দৃষ্টিগোচৰ হোৱা নাছিল। এই সকলোবোৰৰ বিপৰীতে দুয়োটা জীপচ্ গণ প্ৰজাতিৰ ক্ষেত্ৰতে সংখ্যা হ্ৰাসৰ চিত্ৰখন একে আছিল। জৰীপৰ পৰা এইটোও স্পষ্টকৈ দেখা গৈছিল যে পাতি শগুণ আৰু দীঘল ঠোঁটৰ শগুণ দুয়োবিধৰে হ্ৰাসৰ হাৰ সংৰক্ষিত এলেকাৰ ভিতৰত আৰু বাহিৰত একে। উৰহী গছৰ ওৰ বিচাৰি কেওলাদাওৰ দৰে অন্যান্য জৰীপ এলেকাবোৰতো মৃত আৰু বেমাৰী শগুণবোৰ নিৰীক্ষণ কৰাৰ পিছত এইটোৱে বুজা গৈছিল যে গোটেই ভাৰতবৰ্ষত শগুণৰ সংখ্যাৰ হ্ৰাসৰ অন্তৰালত একেটা কাৰকে ক্ৰিয়া কৰিছে। সমগ্ৰ এলেকাবোৰত বেমাৰী শগুণবোৰৰ ক্ষেত্ৰত অলসতা আৰু ডিঙি তললৈ হালি পৰা এই একে ধৰণৰ উপসৰ্গ লক্ষ্য কৰা হৈছিল। জীপচ্ শগুণৰ একে ধৰণৰ উচ্চ মৃত্যুৰ হাৰ আৰু ডিঙি তললৈ হালি থকা উপসৰ্গৰ খবৰ প্ৰতিবেশী ৰাষ্ট্ৰ নেপাল আৰু পাকিস্তানৰ পৰাও আহিবলৈ ধৰে।



তিনিওটা এছীয়া প্ৰজাতিৰ শগুণৰ এই অনাকাঙ্খিত হ্ৰাসক লৈ বহুদিন ধৰি বিজ্ঞানী সকলো বিমোৰত পৰে। ইফালে শগুণৰ সংখ্যাৰ এই পৰিবৰ্ত্তনৰ বিৰূপ প্ৰভাৱ ইতিমধ্যে প্ৰাকৃতিক আৰু মানৱ সৃষ্ট পৰিস্থিতি তন্ত্ৰ উভয়তে দেখা গৈছিল। শগুণৰ সংখ্যা কমি অহাৰ কাৰণ ব্যাখ্যা কৰিবলৈ গৈ নানা জনে নানা মতবাদ আগবঢ়াইছিল। এই মতবাদ সমূহৰ ভিতৰত কোনো ভাইৰাছজনিত সংক্ৰামক ৰোগকে শগুণৰ মৃত্যুৰ সবাতোকৈ সম্ভাব্য কাৰক বুলি আগবঢ়োৱা মতবাদটোৱে যথেষ্ট সমৰ্থন লাভ কৰিছিল। অৱশ্যে সকলো বাদ বিবাদৰ অন্ত পৰিল যেতিয়া ২০০৩ চনৰ মাজভাগত জে. এল. ওক্স নামৰ বিজ্ঞানী জনৰ নেতৃত্বাধীন এদল গৱেষকে বহুল ব্যৱহৃত বিষ উপশমকাৰী পশু ৰোগৰ ঔ ষ ধ ক্ল'ফেনাকক শগুণৰ মৃত্যুযজ্ঞৰ মুখ্য হোতা ৰূপত চিনাক্ত কৰে, বিশদ গৱেষণাৰ অন্তত তেওঁলোকে শগুণৰ খাদ্য মৰা জন্তুৰ্ব কলাত থকা অৱশিষ্ট ডাইক্ল'ফেনাকেই পাকিস্তানত শগুণৰ আবাদী কমি অহাৰ বাবে প্ৰকৃততে দায়ী বুলি প্ৰমাণ কৰে। তেওঁ আন্ত্ৰিক পীড়াত মৃত্যু হোৱা শগুণৰ মৃতদেহবোৰ পৰীক্ষা কৰোঁতে সিহঁতৰ বৃক্কত তেওঁলোকে ডিক্ল'ফেনাক পোৱা নাছিল। এনেদৰে বিশদ অধ্যয়নৰ ওপৰত ভিত্তি কৰি ওক্স আৰু তেখেতৰ সহকৰ্মী সকলে প্ৰতিদাহী ঔষধ ক্ল'ফেনাকৰ অৱশিষ্টই শগুণৰ বৃক্ক বিকল হোৱা বাবে প্ৰত্যক্ষ ভাৱে দায়ী বুলি যুক্তি সহকাৰে প্ৰতিপন্ন কৰে। তদুপৰি কিছুসংখ্যক পাতি শগুণক প্ৰত্যক্ষভাৱে মুখেৰে ডাইক্ল'ফেনাক খুৱাই আৰু আন কিছুসংখ্যকক ডিক্ল'ফেনাকৰে চিকিৎসা কৰা জন্তুৰ মাংস খুৱাই পৰীক্ষামূলক ভাৱে এই শগুণবিলাকত অৱশিষ্ট ডিক্ল'ফেনাক আৰু বৃক্কৰ ৰোগ সৃষ্টি কৰাত সফল হোৱাত পশু ঔষধি ডাইক্ল'পেনাকই যে শগুণৰ সংখ্যা কমি অহাৰ কাৰণে দায়ী সেই ধাৰণাটো আৰু দৃঢ়ভাৱে প্ৰমাণিত হয়। নেপাল আৰু ভাৰতৰ ভিন্ ভিন্ এলেকাৰ ভালেসংখ্যক মৃত আৰু মুমূৰ্ষু শগুণ পৰীক্ষা কৰি চুল্টজ্ আৰু তেওঁৰ সহকৰ্মী সকলেও ২০০৪ চনত অন্ত্ৰত বিষ আৰু ডাইক্ল'ফেনাকৰ দ্বাৰা দূষিত বৃক্ক বা যকৃতৰ কলাৰ মাজত যে এক প্ৰত্যক্ষ যোগসূত্ৰ আছে তাক প্ৰমাণ কৰে। এইখিনিতে উনুকিয়াই থোৱা ভাল যে মৃত্যুৰ ঠিক আগমুহূৰ্ত্তত ডাইক্ল'ফেনাকৰে চিকিৎসা কৰা জন্তুৰ মৰাশ ভক্ষণ কৰাৰ ফলত ঘাইকৈ শগুণবোৰ ডাইক্ল'ফেনাকৰ সংস্পৰ্শলৈ আহে। অন্যথাই মৃত্যুৰ ৩-৪ দিন আগতে ডাইক্ল'ফেনাকেৰে চিকিৎসা কৰা বিলাকৰ কলাত ক্ল'ফেনাক থকাৰ সম্ভাৱনা নাথাকে কাৰণ স্তন্যপায়ী প্ৰাণীৰ শৰীৰত

ডাইক্ল'ফেনাকৰ বিপাক ক্ৰিয়া অতি দ্ৰুত গতিত হয়; তদুপৰি জৈৱ বিবৰ্দ্ধনশীল নহয় কাৰণেও সি জন্তুৰ দেহত কম সময়ৰ কাৰণেহে থাকে। স্বাভাৱিকতে এনে মৰাশ খোৱাৰ বেলিকা শগুণ ক্ল'ফেনাকৰ সংস্পৰ্শত নাহে। কিন্তু মৃত্যুৰ ঠিক আগমূহুৰ্ত্তত ক্ল'ফেনাক প্ৰয়োগ কৰিলে সি জন্তুৰ শৰীৰৰ বিভিন্ন কলাত বিশেষকৈ বৃক্ক, যকৃত আদি অংগৰ কোমল কলাবোৰত অৱশিষ্ট হিচাপে থাকি যায় আৰু পাতি শগুণ, দীঘল ঠোঁটৰ শগুণআৰু মিহি ঠোঁটৰ শগুণ তিনিও বিধে ঘাইকৈ মৰাশৰ অন্তৰ্ভাগৰ কোমল কলাৰ দ্বাৰা গঠিত মঙহ বোৰ ভক্ষণ কৰে গতিকে বাকী শগুণ প্ৰজাতি বা আন কোনো চাফাইকাৰী প্ৰাণীবোৰতকৈ সিহঁত ডিক্ল'ফেনাকৰ দ্বাৰা বেছিকৈ আক্ৰান্ত হয়। গৱেষক সকলে এইটোও দেখুৱাইছে যে এটা গৰু বা ম'হৰ প্ৰতি কিলোগ্ৰাম ওজনৰ বিপৰীতে ৩.৭ মিলিগ্ৰাম ডিক্ল'ফেনাক থাকিলে সি শগুণৰ মৃত্যু ঘটোৱাৰ কাৰণে পৰ্য্যাপ্ত। একেদৰে একোটা শগুণৰ প্ৰতি কিঃ গ্ৰাঃ ওজনৰ বিপৰীতে ০.১ মিঃগ্ৰাঃ ডাইক্ল'ফেনাকে শগুণৰ মৃত্যু নিশ্চিত কৰে।



এতিয়া পৰবৰ্তী প্ৰশ্ন হ'ল যে বহুল পৰিলক্ষিত শগুণৰ মৃত্যু ঘটাবলৈ পৰিবেশত ডাইক্ল'ফেনাক সুলভ হোৱাৰ সম্ভাৱনা কিমান? এই প্ৰশ্নৰ সমিধান স্বৰূপে গ্ৰীণ আৰু তেওঁৰ লগৰীয়া সকলে এটা নকল আৰ্হি প্ৰস্তুত কৰি তাৰ দ্বাৰা দেখুৱাই যে যদি ২৫০ টা মৰাশৰ ভিতৰত মাত্ৰ এটাৰ শৰীৰতো মৃত্যু ঘটাব পৰা পৰিমাণৰ ডিক্ল'ফেনাক থাকে তেন্তে সি বৰ্তমান প্ৰত্যক্ষ কৰি থকা হাৰত শগুণৰ সংখ্যা কমোৱাৰ বাবে যথেষ্ট। মুঠতে ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হয় যে বৰ্তমান পৰিপ্ৰেক্ষিতত ডাইক্ল'ফেনাক শগুণৰ নীৰৱ ঘাটক।

শগুণৰ এই সংকটজনক স্থিতিৰ বাবে যিহেতু মানুহেই প্ৰকাৰান্তৰে দায়ী গতিকে সিহঁতক সংৰক্ষণ কৰাৰ দায়িত্বও মানুহৰেই। সামূহিক ভাৱে শগুণৰ কেওটি প্ৰজাতিকে বিশেষকৈ 'চৰমভাৱে বিলুপ্তপ্ৰায়' শ্ৰেণীত অন্তৰ্ভূক্ত হোৱা জীপচ্ গণৰ প্ৰজাতি তিনিটাক বিলুপ্তিৰ মুখৰ পৰা ঘূৰাই আনিবলৈ ইতিমধ্যে চৰকাৰী আৰু বেচৰকাৰী উভয় স্তৰতে প্ৰয়াস কৰা হৈছে। ভাৰত চৰকাৰে ২০০৫ চনৰ চেপ্তেম্বৰ মাহত পশু ঔষধ হিচাপে ডাইক্ল'ফেনাকৰ প্ৰয়োগ তথা প্ৰচলন বন্ধ কৰা ইচ্ছা ব্যক্ত কৰিছে। চৰকাৰৰ এই মহান উদ্দেশ্যৰ প্ৰতি সঁহাৰি জনাই বিজ্ঞানী সকলেও ডিক্ল'ফেনাকৰ দৰে সমানে প্ৰভাৱকাৰী কিন্তু শগুণৰ কাৰণে তুলনামূলক ভাৱে কম বিষাক্ত এটা উপযুক্ত বিকল্প পশু ঔষধৰ সন্ধানত ব্ৰতী হয়। অনেক পৰীক্ষা নিৰীক্ষাৰ অন্তত গৱেষকসকলে মেলক্সিকেম নামৰ ঔষধ বিধকে ক্ল'ফেনাকৰ উপযুক্ত বিকল্প হিচাপে চিনাক্ত কৰে আৰু চৰকাৰক ডাইক্ল'ফেনাকৰ প্ৰয়োগ ৰোধ কৰি মেলক্সিকেমৰ প্ৰয়োগত অনুমোদন দিবলৈ পৰামৰ্শ আগবঢ়াইছে। একে সময়তে শগুণৰ প্ৰজাতি তিনিটাৰ দীৰ্ঘকালীন সংৰক্ষণৰ বাট প্ৰশস্ত কৰিবলৈ ভাৰতবৰ্ষৰ তিনিখন ৰাজ্যত তিনিটা আৱদ্ধ প্ৰজনন কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে। এই কেন্দ্ৰ তিনিটাৰ এটা হাৰিয়ানাৰ পিঞ্জোৰাত, দ্বিতীয়টো পশ্চিমবঙ্গৰ ৰাজা ভাটখোৱাত আৰু তৃতীয়টো আমাৰ অসমৰ ৰাণীত অৱস্থিত। যদিও শগুণৰ বৰ্তমান স্থিতি খুবেই সংকটজনক তথাপিও চৰকাৰ, বিজ্ঞানী, প্ৰকৃতি প্ৰেমী, সংৰক্ষণবিদ্ আৰু ৰাইজৰ উমৈহতীয়া প্ৰচেষ্টাৰে সিহঁতক বিলুপ্ত হোৱাৰ পৰা ৰক্ষা কৰি পৰিবেশলৈ ওভোতাই আনিব পাৰিম বুলি আমি আশাবাদী।

---

বিঃ দ্ৰঃ লেখাটো প্ৰস্তুত কৰোঁতে প্ৰয়োজনীয় তথ্যাদিৰে সহায় কৰা কাৰণে মই ৰাণীত থকা শগুণৰ আৱদ্ধ প্ৰজনন কেন্দ্ৰৰ কেন্দ্ৰ সঞ্চালক ডঃ দেৱজিৎ দাসলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ

## গল্পৰ কৰণি

# অ' মই জীয়াই থাকিব বিচাৰোঁ

দীপামণি দৈমাৰী
স্নাতক ২ য় বৰ্ষ (কলা)

তাইক লগ পাই থাকোঁ,প্ৰায়েই তাইক লগ পাই থাকোঁ। আগৰ দৰেই, তাইৰ বিয়াৰ আগতে যেনেদৰে লগ পাইছিলোঁ, বিয়াৰ পিছতো এতিয়াও তাইক তেনেদৰেই লগ পাই থাকোঁ, মাত্ৰ পাৰ্থক্য এটাই তাই আগতে মোৰ মনিহাৰী দোকানখনলৈ আহিছিল আৰু এতিয়া তাই আহে মোৰ কাষৰ গেলামাল দোকানখনলৈ। এতিয়া তাই আৰু মোৰ দোকানখনলৈ নাহে, অহাৰ প্ৰয়োজন নাই। তথাপি যেতিয়া তাই মোৰ দোকানৰ কাষেৰে পাৰ হৈ যায়, মোলৈ চাই হাঁহি এটি উপহাৰ দি যায়। কিন্তু তাইৰ সেই হাঁহি, শেঁতা হাঁহি। সেই হাঁহিত নাই আগৰ দৰে প্ৰাণচঞ্চলতা, নাই হিয়া শাঁত পৰা আকুলতা। আছে মাথো বুজাব নোৱাৰা,কাকো কব নোৱাৰা এবুকু বিষাদ আৰু যন্ত্ৰণা। তাইক সেই শেঁতা হাঁহিৰ ৰহস্য সুধিম সুধিম বুলিও সুধিব পৰা নাই, কিবা এক সংকোচবোধে সদায় সেই কথা সোধাৰ পৰা বিৰত ৰাখে আৰু বিনিময়ত ময়ো তাইক এটা হাঁহিৰে প্ৰত্যুত্তৰ দিওঁ।



নাম তাইৰ প্ৰতীক্ষা, প্ৰতীক্ষা ভৰালী। ঘৰত সকলোৱে মৰমতে আইমা বুলিয়ে মাতে। মোৰ চুবুৰীয়া ছোৱালী তাই, ময়ো তাইক আইমা বুলিয়ে মাতো। মোতকৈ বয়সত দুবছৰমান সৰু তাই। তথাপি আমি দুয়ো ভাল বন্ধুৰ দৰে। আমি দুয়োজনীয়ে দুয়োজনীৰ ঘৰলৈ অহা-যোৱা কৰোঁ আৰু প্ৰাণভৰি কথা পাতো। কিন্তু মই দোকানখন আৰম্ভ কৰাৰ পৰা পৃথককৈ সময় দিব নোৱাৰা হলোঁ। সেয়ে মোৰ মনিহাৰী দোকানখনহে আমাৰ দুজনীৰ মনৰ কথা প্ৰকাশ কৰাৰ প্ৰধান মাধ্যম হৈ পৰিল। আজিৰ যুগৰ বি. এ. পাছ ছোৱালী হিচাপে স্বাভাৱিকতেই মই এটা চাকৰি যোগাৰ কৰিব নোৱাৰিলোঁ আৰু মোৰ দেউতাৰ লাখ লাখ টকা খৰচ কৰি চাকৰি এটা কিনি দিয়াৰো সামৰ্থ্য নাই। গতিকে মই এই মনিহাৰী দোকানখনকে আঁকোৱালি লৈ স্বনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰিছোঁ। দোকানখন চলাই পোৱা লাভৰ টকাৰে মই মোৰ জীৱনটো কোনো অসুবিধা নোপোৱাকৈ চলাই আহিছোঁ আৰু ঘৰখনকো এটকা-দুটকা দি সহায় কৰি আহিছোঁ।

মই বি. এ. পাছ কৰিয়ে দোকানখন আৰম্ভ কৰিলোঁ। এম. এ. পঢ়াৰ মন আছিল কিন্তু ঘৰৰ অৱস্থা দেখি সাহস নহ'ল। তেনেকৈয়ে মনৰ আশা মনতে ৰাখি দোকানখনতে মন দিলোঁ। দেউতাৰ বয়স হৈ আহিছে, গতিকে সৰু ভাই টোক পঢ়োৱা দায়িত্বও

মোৰ ওপৰতে। মই যেতিয়া দোকানখন আৰম্ভ কৰোঁ, আইমা তেতিয়া স্নাতক ২য় বৰ্ষৰ ছাত্ৰী। তাইৰ জীৱনটো সম্পূৰ্ণ বিপৰীত। ধনীৰ দুহিতা তাই, অভাৱ কি বস্তু নাজানে। তাই খুউব চৌখিন। চৌখিন হলেও, ধনীৰ দুহিতা হলেও তাই কিন্তু খুউব সহজ-সৰল, নিৰহংকাৰী। তাইৰ কথা-বতৰাত আভিজাত্যৰ গৌৰৱ কেতিয়াও ফুটি নুঠে। ধুনীয়া ধুনীয়া কাপোৰ-কানি, আ-অলঙ্কাৰ, ৰঙৰ মাজতেই তাই নিজক সজাই পৰাই ৰাখে, তাতে কলেজীয়া ছোৱালী। সেইকাৰণে মোৰ দোকানখনলৈ তাইৰ সঘনে আহ যাহ হ'ল। বিভিন্ন প্ৰসাধন সামগ্ৰী বিচাৰি তাই সপ্তাহটোৰ প্ৰায় দুই তিনি দিনেই মোৰ দোকানলৈ অহা হ'ল। তাতে চুবুৰীয়া বুলি, মোৰ লগত বন্ধুত্ব সুলভ সম্পৰ্ক আছে বুলি তাই প্ৰায়ে বস্তুবোৰ কম দামত নিয়ে। সেয়ে তাই প্ৰসাধন সামগ্ৰী দৰকাৰ হ'লে মোৰ দোকানলৈয়ে চিধাই দৌৰ মাৰে। এনেকৈ তাই দোকানলৈ আহিলে ইটো-সিটো কথা পাতে আমাৰ সম্পৰ্কটো অধিক গাঢ় হ'ল। তাই আহিলে, দোকানত কেতিয়াবা ভিৰ কম হলে তাই মোৰ লগত বহি বহু সময় কথা পাতে। তাইক মই অকল বন্ধু বুলিয়ে নহয়, নিজৰ ভনীৰ দৰে মৰম কৰোঁ। তাই মোক মনৰ সকলো কথা খুলি কয়। মই ভাবি আচৰিত হওঁ সেই আইমাজনীয়ে কিয় বাৰু বিয়াৰ পাছৰপৰা মোৰ দোকানৰ আগেৰে পাৰ হৈ গ'লেও মোৰ দোকানত এবাৰো নোসোমায়, মোক এবাৰো মাত নিদিয়ে আৰু কিয় বাৰু নেমেলে তাইৰ বিষাদৰ বকলা!!! নে এয়া তাইৰ ধনীঘৰৰ জীয়াৰীৰ পৰা ধনীঘৰৰ বোৱাৰী হোৱাৰ অহংকাৰ! কিন্তু, এয়াতো হ'বই নোৱাৰে, তাইৰ চকু-মুখত অহংকাৰৰ লেশমানো নাই। মানুহৰ মুখখনেই হেনো হৃদয়ৰ দাপোন আৰু মইতো তাইৰ মুখখনত কেতিয়াও অহংকাৰৰ প্ৰতিচ্ছবি দেখা নাই। তদুপৰি তাই অহংকাৰী হোৱা হ'লে মোৰ ফালে চাই কেতিয়াও বুকু বিষাই যোৱা শেতা হাঁহিটি নামাৰিলেহেঁতেন। অহংকাৰী হোৱা হ'লে তাই জীয়াৰী কালতেই অহংকাৰী হ'লহেঁতেন, ইমান ধনী ঘৰৰ জীয়াৰী আছিল তাই! তাইক মই ভালকৈ জানো, সৰুৰ পৰাই মই আইমাক পাইছো, তাই কেতিয়াও অহংকাৰী হব নোৱাৰে। তেন্তে তাইৰ সেই ব্যৱহাৰত, সেই শেঁতা হাঁহিত, সেই কৰুণ চকুযুৰিত কিনো বিষাদৰ প্ৰচ্ছায়া সোমাই আছে! দুদিনমান ধৰি মই লক্ষ্য কৰিছোঁ আইমাৰ আগৰ সেই সৌন্দৰ্যও দিনক দিনে ম্লান হৈ যাবলৈ ধৰিছে। অযত্নপালিত পুষ্টিহীনতাত ভোগা চুলি, কলা পৰা দুচকু, হনু ওলোৱা গাল, ৰুক্ষ চাল আৰু অপৰিপাটিকৈ পিন্ধা কাপোৰেৰে আইমাজনীক চিনি পোৱাই টান হৈছে। অথচ সেই আইমাজনীয়ে নিজৰ শৰীৰটোৰ প্ৰতি, সৌন্দৰ্যৰ প্ৰতি কিমান সজাগ আছিল। আৰু এতিয়াৰ আইমা!! পৰিস্থিতিয়ে মানুহক সঁচাকৈ কেনেদৰে সলনি কৰি দিব পাৰে!

সময়ত আইমাই স্নাতক ডিগ্ৰীটো ল'লে। বি. এ. টো পাছ কৰি তাই এম. এ. পঢ়িবলৈ ইচ্ছা কৰিছিল, কিন্তু এনেতে তাইলৈএকেখন চহৰৰে সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ ব্যৱসায়ী ল'ৰা ৰঞ্জনৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিল। তাই পঢ়াৰ মানসেৰে একেবাৰতে বিয়াখনত না কৰি দিলে।, কিন্তু মাক-দেউতাক আৰু পৰিয়ালৰ মানুহবোৰ নাচোৰ বান্দা। তাই বিয়াখনত সন্মতি দিবই লাগিব। তাই মাক-দেউতাকক কিমান বুজালে, তাই স্নাতকোত্তৰ ডিগ্ৰীটো লৈহে বিয়াৰ কথা ভাবিব এতিয়াই সেইবোৰ কথা ভবা নাই; কিন্তু কোনেও তাইৰ কথা নুশুনিলে, কোনেও তাইৰ অনুভবক গুৰুত্ব নিদিলে, একমাত্ৰ মোৰ বাদে। ঘৰৰ মানুহৰ কথা এই যে ভাল সুযোগ এটা হাতলৈ আহিছে, সেই সুযোগ হাতৰ পৰা যাব দিব নোৱাৰি। ল'ৰাজনো দেখাই-শুনাই ভাল। লাগিলে ছোৱালীয়ে বিয়াৰ পিছতো পঢ়িব পাৰিব, এনেকুৱা সুযোগ আৰু দুনাই নাহিবও পাৰে, তাতে সুশিক্ষিত সম্ভ্ৰান্ত পৰিয়াল, বিয়াৰ পিছতো আইমাক পঢ়িব দিব বুলি দৰাঘৰৰ মানুহে কৈছে। গতিকে আইমাই সন্মতি দিবই লাগিব। আইমাই যেতিয়া ঘৰৰ কাকো বুজাব নোৱাৰিলে তেতিয়া চকুৰ পানীৰে বাট নেদেখা হৈ আমাৰ ঘৰলৈ, মোৰ কাষলৈ দৌৰি আহিল। তাই কান্দি-কাটি সকলো কথা মোৰ আগত খুলি ক'লে। মই তাইক পাৰ্য্যমানে সান্ত্বনা দিবলৈ চেষ্টা কৰিলোঁ। ইমান মৰমত ডাঙৰ হোৱা ছোৱালীজনীয়ে চাগৈ এই বাৰেই জীৱনত প্ৰথমটো ডাঙৰ আঘাত পালে। এনে লাগিল যেন পৃথিৱীত সমস্ত দুখ আইমাজনীৰ হৃদয়তে থুপ খাইছে। তাইৰ ভয়, যদি বিয়াৰ পিছত মানুহঘৰে ৰূপ সলায়, বিয়াৰ পিছত যদি তাইক পঢ়িব নিদিয়ে, তেন্তে তাইৰ কি হ'ব? তাইৰ সপোনবোৰ ভাঙি চুৰমাৰ হৈ যাব, আশাৰ বালিঘৰ ভাঙি নিৰাশাত বিলীন হৈ যাব, টুকুৰা-টুকুৰকৈ ভাঙি পৰিব কাচঁৰ ঠুনুকা কাৰেংঘৰ। মই তাইক বহুত বুজাই বঢ়াই

তাইৰ লগতে সিহঁতৰ ঘৰলৈ গৈ সিহঁতৰ ঘৰৰ মানুহখিনিক বুজাবলৈ যত্ন কৰিলোঁ,আইমাৰ ইচ্ছাৰ বিৰুদ্ধে নাযাবলৈ অনুৰোধ কৰিলো আৰু আইমাৰ সপক্ষে যুক্তি দাঙি ধৰিলো। মোৰ কথাত আইমাৰ ঘৰৰ অহংকাৰী মানুহখিনিয়ে মোক খুউব বেয়াকে অপমান কৰিলে। তেতিয়াৰ পৰাই মই সিঁহতৰ ঘৰলৈ গ'লে বেয়া পোৱা হ'ল, ময়ো সিঁহতৰ ঘৰলৈ যোৱাটো প্ৰায় বাদ দিয়াৰ দৰে হ'ল, এৰাব নোৱাৰা কাম থাকিলেহে যাওঁ। আইমাকো আমাৰ ঘৰলৈ অহাটো বন্ধ কৰি দিলে। কিন্তু তাই ঘৰৰ কোনেও নজনাকৈ মোৰ কাষলৈ মনে মনে আহে।

আইমাৰ কথা কিন্তু নৰজিল। তাই ঘৰৰ মানুহৰ জোৰত স্নাতকোত্তৰত নামভৰ্তি নকৰাকৈ সেইখন বিয়াত সন্মতি দিবলৈ বাধ্য হ'ল। তাইলৈ মোৰ খুউব দুখ লাগিছিল, সহানুভূতি জাগিছিল। মোৰ বাদে কোনেও তাইৰ কোমল হৃদয়ৰ উচুপনি উপলব্ধি কৰিব পৰা নাছিল। ইমান আলাসত ডাঙৰ হোৱা ছোৱালীজনীয়ে জানো কেনেকৈ ইমান দুখ সহিছিল, মই ভাবি আচৰিত হওঁ।

আইমাৰ বিয়াখন হৈ যোৱাৰ পিছতএবছৰলৈকে তাইৰ কোনো খা-খবৰ পোৱা নাছিলোঁ, তাইক দেখাও নাছিলোঁ। বোধহয় ন-বোৱাৰী বাবে ঘৰৰ বাহিৰত ওলোৱা নাছিল। ভাবিছিলোঁ, তাই আৰু চাগে আগৰ দৰে প্ৰসাধন সামগ্ৰী বিচাৰি মোৰ দোকানলৈ আহিব লগা নহয়। যি লাগে সকলো গিৰিয়েকে নি দিয়ে। নতুন ঘৰ, গিৰিয়েকৰ ঘৰৰ মানুহে বা কি ভাবে বুলি মই তাইৰ লগত কোনো ধৰণৰ যোগাযোগ ৰখা নাছিলোঁ। কিন্তু যোৱা বছৰৰ পৰা অৰ্থাৎ বিয়াৰ এবছৰৰ পিছৰ পৰা প্ৰায়ে তাইক দেখা হলোঁ, আগৰ দৰে। কিন্তু মাত-বোলহে এবাৰো হোৱা নাই। তাই প্ৰায়ে বজাৰ কৰা মোনা এখন লৈ মোৰ দোকানৰ সন্মুখেৰে গেলামাল দোকানখনলৈ যায় বজাৰ কৰিবলৈ আৰু আহোঁতে যাওঁতে মোৰফালে চাই এটা সেঁতা হাঁহি উপহাৰ দি যায়। তাইক বহুদিনৰ মূৰত প্ৰথম দেখোতে চিনিবই টান হৈছিল। তাইৰ আগৰ সেই ৰূপ -সৌন্দৰ্য্য এতিয়া মোলান পৰি গৈছে। তাই যেন আগৰ দৰে সৌন্দৰ্য্যসচেতন নহয়, এনে লাগিল। আনৰ মুখত শুনিলোঁ তাইৰ হেনো এম. এ. ত নাম ভৰ্তি কৰা নহ'ল। এতিয়া হেনো তাই ঘৰ সংসাৰক লৈয়ে ব্যস্ত। অৱশেষত তাই যিটো সন্দেহ কৰিছিল, যিটো হব পাৰে বুলি ভয় কৰিছিল সিটোৱে হ'ল। তাইৰ স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ আশা মনতে মাৰ গ'ল। মোৰ ভাব হয় সাংসাৰিক জীৱনক লৈ তাই চাগে খুউব অসুখী, সেয়াই চাগে তাইৰ মোৰ পৰা পলায়নৰ কাৰণ। তাই চাগে মোৰ আগত নিজৰ দুৰ্ভগীয়া জীৱনৰ বকলা মেলিব নোখোজে।

মই তাইক কেতিয়াবা লগ কৰি তাইৰ বৰ্তমানৰ জীৱনটো কেনেকুৱা সুধিম বুলি ভাবোঁ, কিন্তু কিবা এক সংকোচবোধে মোক সেই কথা সোধাৰ পৰা বিৰত ৰাখে। এই সংকোচবোধৰ বাবেই মই বহুদিনৰ পৰা কথাটো সুধিম সুধিম বুলি ভাবিও সুধিব পৰা নাই। কিন্তু আজি মই সম্পূৰ্ণ সুযোগ পাইছোঁ, আজি মই মন বান্ধিছো তাইৰ সেঁতা হাঁহিৰ ৰহস্য উলিয়ামেই। একালৰ ইমান ভাল বান্ধৱী, তাই আগধৰি কথাটো নকলেও, মই তাইৰ মনৰ খবৰ নোলোৱাটো তাইৰ প্ৰতি মোৰ বৰ অন্যায় হৈছে। মই নুসুধিলে তাইনো কেনেকৈ আগধৰি আৰম্ভ কৰিব নিজৰ দুখৰ মালিতা। তাই আজিও মোৰ দোকানৰ সন্মুখেদি আনদিনাৰ দৰে সচৰাচৰ যোৱা দোকানখনলৈ বজাৰ কৰিবলৈ গৈছে। মই আচৰিত হওঁ তাই ইমান ধনী ঘৰৰ বোৱাৰী হৈও, যিখন ঘৰত তিনি-চাৰিখনকৈ বিলাসী গাড়ীআছে, সিখন ঘৰৰ বোৱাৰী হৈয়ো খোজকাঢ়ি আহে বজাৰ কৰিবলৈ। কিয় বাৰু? মই দিনক দিনে সন্দেহৰ আৱৰ্ত্তত সোমাই পৰোঁ। সেয়ে আজি মই তাইক মোৰ দোকানৰ সন্মুখেৰে বজাৰ কৰি উভতি যাওঁতে সুধিম তাইৰ বৰ্তমান জীৱনৰ কথা।

মই অলপ সময় অপেক্ষা কৰিলোঁ, তাই দোকানৰ পৰা উভতি অহালৈ বুলি। আজিয়েই পূৰ্ণ সুযোগ, মোৰ দোকানত আজি গ্ৰাহকৰ উপস্থিতি সেৰেঙা। অলপ সময় পিছতে তাই দোকানখনৰ পৰা উভতি আহিমোৰ দোকানৰ সন্মুখ পালেহি আৰু মোৰ পৰিচিত সেই সেঁতা হাঁহিটি মাৰিলে। কিন্তু ... আজি এক ব্যতিক্ৰম দেখা গ'ল। তাই আনদিনাৰ দৰে মোৰ দোকানখনৰ সন্মুখেৰে লগে লগে পাৰ হৈ নগ'ল, সেঁতা হাঁহিটি মুখত লৈয়ে মোৰ দোকানৰ সন্মুখতে থিয় হৈ ৰ'ল। তাই চাগে মোৰ দুচকুলৈ চায়েই মোৰ হৃদয়ৰ আকুলতা বুজি পালে। পাবতো লাগিবই, তাই যে মোৰ এসময়ৰ নিচেই কাষত আছিল। মৌনতা ভংগ কৰি তাইক মই ক'লো, — "আইমা, ৰ'বাচোন। বহুদিনৰ মূৰত আজি অলপ কথা পাতোঁ।" তাই হাঁহি হাঁহিয়ে মোক ক'লে, - ক'তা, তুমি নকওঁতেই

মই দেখোন ৰ'লোৱে।" তাইৰ হাঁহিটিয়ে কিয় জানো, মোৰ মনত ৰং চটিয়াওঁক চাৰি কাঁইটে বিন্ধাযেনহে লাগিল। কি আছে বাৰু তাইৰ হাঁহিত? একো নাই, আছে মাথোঁ হৃদয় ব্যথিত কৰা এআকাশ শূণ্যতা।

ঃ আইমা আহাচোন দোকানৰ ভিতৰলৈ। তোমাৰ যদি একো অসুবিধা নহয়, তেন্তে আজি তোমাৰ লগত হৃদয় খুলি কথা পাতিম বুলি ভাবিছোঁ, তোমাৰ একো অসুবিধা নহয়তো?

ঃ মোৰনো আৰু কি সুবিধা-অসুবিধা, মালা বা। কিবা যদি অসুবিধা হয়ো আজি বাৰু মই তোমাৰ বাবে সুবিধা কৰি লম। হাজাৰ অসুবিধাকো আজি মই সুবিধা কৰি লম মালা বা, তোমাৰ বাবে কেৱল তোমাৰ বাবে।" আস্!! আইমাৰ আকুলতা ভৰা কথাখিনিয়ে মোৰ হৃদয় পথাৰখন সেউজীয়া কৰিলে। এইজনী আইমাইতো আগৰ আইমাজনী, যিয়ে মোৰ লগত আকুলতা পূৰ্ণ কথা পাতি মোৰ হৃদয় পথাৰখন সেউজীয়া কৰি তুলিছিল।

আইমা লাহে লাহে দোকানৰ ভিতৰলৈ সোমাই আহিল। বিয়াৰ আগতে তাই মোৰ দোকনলৈ আহিলে যিখন চকীত বহিছিল সেইখনকে মই আজি আকৌ তাইক বহিবলৈ মচি দিলোঁ। তাই সেই চকীখনতে বহি পৰিল, কিন্তু অস্বাভাৱিক গম্ভীৰ হৈ। আগতে হোৱা হ'লে তাই বহিয়েই ধেমেলীয়াকথাৰ পাতনি মেলি খিলখিলাই হাঁহি দিলেহেঁতেন আৰু মই ? ময়ো তাইৰ হাঁহিত যোগ দি আনন্দত দুয়ো ফাটি পৰিলোঁহেঁতেন। কিন্তু আজি? আজি সেই পৰিৱেশ নাই। পৰিৱেশটো সম্পূৰ্ণ নতুন, নিজম-নিস্তব্ধ। সম্পূৰ্ণ অস্বাভাৱিক পৰিৱেশটো স্বাভাৱিক কৰিবলৈ মই কথাৰ পাতনি মেলিলোঁ চমুকৈ --

ঃ কেনে আছা, আইমা?

ঃ .........................।

ঃ কোৱা আইমা, কেনে আছা? নোকোৱা কিয়? কোৱা আইমা।

ঃ হুম্ .... কেনে আছোঁ? কেনে আছোঁ বাৰু মই? মই নিজেই নাজানো মালা বা।

কথাখিনি কওঁতে তাইৰ ওঁঠযুৰি খুউব কঁপিছিল।

ঃআইমা। তোমাৰ হৈছে কি? কোৱা আইমা, তোমাৰ সকলো কথা মোক খুলি কোৱা। আগতেতো তুমি সকলো কথা মোক খুলি কৈছিলা, এতিয়া কিয় নোকোৱা আইমা? মই জানো তোমাৰ বন্ধু নহয়? আজি মোৰ আগত সকলো উদঙাই দিয়া আইমা, মই জানো তোমাৰ হৃদয়খন বিষাদেৰে ভৰি আছে, ময়ো তোমাৰ দুখৰ সমভাগী হ'ব খোজোঁ। মোৰ জানো সেই অধিকাৰ নাই? মই স্বীকাৰ কৰিছোঁ ইমানদিনে তোমাৰপৰা আঁতৰি থাকি মই ভুল কৰিছোঁ, কিন্তু আইমা, সেয়া মোৰ ইচ্ছাকৃত ভুল নাছিল। মই তোমাৰ লগত যোগাযোগ ৰাখিলে তোমাৰ নতুন ঘৰখনে বেয়া পাব পাৰে বুলিহে মই তোমাৰ পৰা অনিচ্ছা সত্বেও আঁতৰি আছিলোঁ। তাৰ বাবে তুমি মোক ক্ষমা কৰি দিবা।

ঃ এয়া তুমি কি কৈছা,মালা বা? মই তোমাক বেয়া পোৱা নাই আৰু কেতিয়াও পাবও নোৱাৰোঁ। তুমি নক'লেও মই সকলো বুজিছোঁ, তুমি মোৰ পৰা কিয় দূৰে দূৰে থাকা সকলো বুজিছোঁ। তোমাৰ লগত ইমান বছৰৰ বন্ধুত্ব, তোমাক মই ভালকৈয়ে চিনি পাওঁ মালা বা।

ঃ তেন্তে কোৱা আইমা, কেনে আছা? আজি হিয়া উজাৰি মোৰ আগত কোৱা সুখ-দুখৰ বতৰা। মোৰ হৃদয় নদীত উটুৱাই দিয়া তোমাৰ অভিজ্ঞতাৰ পানচৈ। অ' আইমা, মই আজি শুনিম তোমাৰ বিয়াৰ পিছৰ অভিজ্ঞতা, বুজি লম তোমাৰ শেঁতা হাঁহিৰ অৰ্থ।

ঃমালা বা, মই জীয়াই আছোঁ, জীয়াই আছোঁ কোনো মতে। অ', মালা বা, মই মৰি মৰি জীয়াই আছোঁ। সুস্থভাৱে জীয়াই থকা নাই। মই মানসিক আৰু শাৰিৰীকভাৱে খুউব অসুস্থ। মোৰ খুউব কষ্ট অ' মালা বা, বহু কষ্টৰ মাজত মই জীয়াই আছোঁ। নাজানো এই দুখৰ দিনৰ ওৰ কেতিয়া পৰিব।

খন্তেক বিৰতি .. তাই চাগে কথাবোৰ কেনেকৈ আৰম্ভ কৰিব জুকিয়াই লৈছে। ময়ো নীৰৱে ৰ'লো,তাইৰ কথালৈ বাট চাই।

ঃ তুমিটো জানাই, মোৰ অসন্মতিৰ মাজতো বলপূৰ্বকভাৱে বিয়াখন হৈ গ'ল। ঘৰৰ মানুহে মোৰ হিয়াৰ বিননি এবাৰো নুশুনিলে, নুবুজিলে মোৰ হৃদয়ৰ বেদনা। সেই সময়ত তোমাৰ বাহিৰে কোনেও মোৰ চকুপানীক মূল্য দিয়া নাছিল। ৰঞ্জনহঁতৰ ঘৰখনে বিয়াৰ পাছত পঢ়িবলৈ দিয়া প্ৰতিশ্ৰুতি সকলো মিছা আছিল। যিটো সন্দেহ কৰিছিলোঁ সিটোৱে হ'ল। মোৰ আৰু এম. এ. পঢ়া নহ'ল, মালা বা!

তাইৰ কঁপি থকা ওঁঠযুৰি বেছিকৈ কঁপিবলৈ ধৰিলে। তাইৰ বাষ্পাকুল দুচকুৰে বেদনাবোৰ পাৰ ভাঙি বৈ আহিল। তাই হুকহুকাই কান্দি দিলে। মোৰ এনে লাগিল বহুদিনে পঞ্জীভূত হৈ থকা বিষাদবোৰ যেন আজি বানপানীৰ দৰে চকুলোৰ ৰূপত বৈ আহি উটুৱাই লৈ যাব আইমাৰ হৃদয়ৰ সমস্ত বেদনা। তাইৰ ওঁঠৰ সেই শেঁতা হাঁহিটিয়ে যেন আজি ক্ৰন্দনৰ ৰূপ পালে। মই তাইক একো নক'লো, কান্দি কান্দি মনটো পাতল হওঁক বুলি মনে মনে'ৰ'লোঁ।

অলপ পিছত তাই প্ৰকৃতিস্থ হৈ আকৌ আৰম্ভ কৰিলে, — "এদিন মই ৰঞ্জনক এম. এ. পঢ়াৰ কথাটো ক'লো। তেতিয়া সি মোক সমৰ্থন কৰা দূৰৰ কথা বৰং ভেকাহি মাৰি ক'লে, মোক এইবোৰ কথা নুসুধিবা, কিবা সুধিব থাকিলে মাক সুধিবা। মই আকৌ ৰঞ্জনকে খাটনি ধৰিলোঁ শাহু আইক কথাটো সুধিবলৈ, ৰঞ্জনে তেতিয়া মোলৈ ঘোপাকৈ চাই উচাট মাৰি গুচি গ'ল। ৰঞ্জনৰ এই ব্যৱহাৰে মোক বাৰুকৈয়ে আঘাত হানিছিল। তথাপিও পিছত মই শাহু আইক এদিন পঢ়াৰ কথাটো ক'লো, তেতিয়া শাহু আয়ে যিখিনি কথা শুনালে, সেইখিনি শুনি মোৰ মূৰত সৰগ ভাঙি পৰিল। শাহু আইৰ কথা — "ঘৰৰ কাম কৰিবলৈহে বোৱাৰী লাগে, নহলেনো কিহৰবোৱাৰীৰ প্ৰয়োজন! বোৱাৰী চপাই মিছামিছি এটা জঞ্জাল বঢ়োৱাতকৈ বোৱাৰী নচপোৱাই ভাল। বৰ এইজনী পঢ়ি-শুনি পণ্ডিতনী হব আহিছে। ঘৰৰ কাম-বন এৰি ক'ত পঢ়িব যোৱা? মহাৰাণীয়ে পঢ়ি থাকিব আৰু ঘৰৰ কামবোৰ কোনে কৰিব, মই? এইবোৰ নহ'ব, তোক আমি পঢ়ুৱাবলৈ অনা নাই নহয়। বাপেৰৰ ঘৰৰ পৰা কিডাল আনিছ, পঢ়ি-শুনি টকা-পইচা খৰচ কৰি ফালি দেখুৱাব নালাগে।" ইত্যাদি ইত্যাদি। পঢ়িবলৈ নোপোৱা দুখে মোক এফালে খুলি খুলি খাইছিল আৰু আনফালে শাহু আৰু ঘৰৰ আনবোৰৰ গালি-গালাজবোৰতো আছেই। পঢ়িবলৈ নোপোৱাৰ দুখটো পাতলাই দি মই পাৰ্যমানে বোৱাৰীৰ দায়িত্ব পালন কৰি নতুন ঘৰখনৰ সকলোৰে মন জয় কৰিবলৈ চেষ্টা কৰিছিলোঁ, কিন্তু নোৱাৰিলোঁ। শাহু আৰু ঘৰৰ আনবোৰে কথাই প্ৰতি মোৰ ভুলটোকে দেখিলে, বাপেৰৰ ঘৰৰ পৰা কি আনিছ, সদায় এইষাৰ কথাকে শুনায়। মোৰ সেইখন ঘৰত একো অস্তিত্ব নাই। সেইখন ঘৰত মোৰ স্থান কাম কৰা ছোৱালীতকৈ ওপৰত নহয়। কেতিয়াবা কাম কৰি কৰি ভাগৰি পৰোঁ আৰু ইফালে মোক বজাৰ কৰিবলৈ পঠায়। তাকো খোজকাঢ়ি সিহঁতৰ গাড়ী ব্যৱহাৰ কৰিবলৈ মোৰ অধিকাৰ নাই। কেতিয়াবা বজাৰ কৰি ঘৰলৈ যাওঁতে ভাগৰত ৰিক্সা এখন ল'লেও গালিৰ অন্ত নোহোৱা হয়। খোজে প্ৰতি গালি গালাজ আৰু যৌতুক দাবী কৰি মোৰ ওপৰত শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। দিনক দিনে মোৰ ওপৰত শাৰীৰিক-মানসিক অত্যাচাৰ বাঢ়ি যাবলৈ ধৰিলে। ৰঞ্জনে বাধা দিয়ক চাৰি সিও পৰিয়ালৰ আন বিলাকৰ লগ লাগি উজান দিয়াত লাগিল। মোৰ জীয়াই থকা টান হৈ পৰিল। মোৰ বিয়াত ঘৰৰ পৰা যথেষ্ট আ-অলঙ্কাৰ, টকা-পৰচা, আচবাব-পত্ৰ গা-ধন হিচাপে মোক দি পঠাইছে। আকৌ যদি যৌতুক হিচাপে মই ঘৰৰ পৰা সা-সম্পত্তি আনিব লাগে, তেন্তে মই সেয়া আনিবলৈ কেতিয়াও মান্তি নহওঁ। মোৰ দেউতাৰ অগাধ সম্পত্তি, আৰু দিবলৈ ক'লে যৌতুকত বিচৰা সকলোখিনিয়ে মোক দিব পাৰে। কিন্তু মই যৌতুক লগত লৈ স্বামীৰ ঘৰ নোসোমাও। কাৰণ মই যৌতুক প্ৰথাৰ বিৰোধিতা কৰোঁ আৰু লগতে মই জানিছিলো ৰঞ্জনহঁতৰ দৰে পৰিয়ালৰ মানুহক টকাৰে কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰি। ইহঁতৰ দৰে টকাৰ লোভীবোৰৰ হৃদয়ত দয়া-মমতা একো নাই। ছিঃ ইমান লুভীয়া মানুহ! ঘৃণাত নাক কোঁচ খাই যায়। সিহঁতৰ ঘৰৰ বোৱাৰী বুলি কবলৈ মোৰ লাজ লাগে।

লাগে লাহে মোৰ প্ৰাণৰ সংশয়ে দেখা দিলে। ইহঁতে মোৰ কেতিয়া কি কৰে কোনো ঠিক নাই। ইহঁতৰ দৰে অৰ্থলোভী

মানুহে কৰিব নোৱাৰা কাম একো নাই। প্ৰথমতে মই মাহঁতৰ ঘৰত একো কোৱা নাছিলো যদিও শেষত মই মাহঁতৰ ঘৰত সকলো খুলি কবলৈ বাধ্য হ'লোঁ। অৱশেষত মই শেষ সিদ্ধান্ত ল'লোঁ, ৰঞ্জনৰ লগত সম্বন্ধটো চিৰকালৰ বাবে একেবাৰে শেষ কৰি দিওঁ, নহলেযে মোৰ জীয়াই থকাই টান হ'ব। কাৰণ সিহঁতৰ হৃদয়ত মোৰ বাবে অলপো ঠাই নাই, আছে মাথোঁ দেউতাৰ অগাধ সম্পত্তিৰ প্ৰতি লালসা। সিহঁতৰ দৰে হৃদয়হীন শৰীৰৰ যন্ত্ৰমানৱবোৰৰ লগত মই জীৱন কটাব নোৱাৰোঁ। সিহঁত মানুহৰ তেজ শুহি খোৱা একো একোটা অৰ্থলোভী তেজপিয়া। মই দেখুৱাই দিব বিচাৰোঁ ৰঞ্জনৰ দৰে এজন কাপুৰুষৰ অবিহনে মই কেনেদৰে জীৱনটো সুন্দৰ কৰিব পাৰোঁ। এই পৃথিৱীখন কিমান সুন্দৰ! কিমান ৰঙীন! এই ৰঙীন পৃথিৱীখনত মই মোৰ জীৱনৰ ৰংবোৰক ধূসৰ হৈ যাবলৈ নিদিওঁ। তিল তিল কৈ শেষ হৈ যাবলৈ দিব নোৱাৰোঁ মোৰ স্বপ্নবিভোৰ জীৱনটোক। হেৰাই যাবলৈ ধৰা মোৰ জীৱনৰ ৰংবোৰ মই পুনৰ ঘুৰাই আনিম। অৱশ্যে মই শেষ সিদ্ধান্তটোৰ কথা ৰঞ্জনহঁতৰ ঘৰখনত প্ৰকাশ কৰা নাই, মোৰ সিদ্ধান্তটোৰ কথা আগতীয়াকৈ জানিলে সিহঁতে চাগে মোক জীয়াই নাৰাখিব। কিন্তু মাহঁতৰ আগত মোৰ সিদ্ধান্তটোৰ কথা কৈছো। মাহঁতে বাধা দিয়া নাই আৰু দিয়া হ'লেও মই কাণসাৰ নকৰিলোহেঁতেন। মই এতিয়া মোৰ জীৱনটো নিজৰ ইচ্ছামতে পৰিচালনা কৰিম। কাৰো কথালৈ ভ্ৰূক্ষেপ নকৰোঁ। মাহঁতৰ লগত মই গোপন যোগাযোগ কৰিছোঁ। কাইলৈ মাহঁতে মোক নিবলৈ আহিব আৰু কাইলৈয়ে মই ৰঞ্জনৰ লগত সকলো সম্বন্ধ শেষ কৰি নিজৰ ঘৰলৈ গুচি যোৱাৰ সিদ্ধান্ত লৈছো। মাহঁতেও মোক আঁকোৱালি লৈছে, আশ্ৰয় দিম বুলি কৈছে, মোক আশ্ৰয় দিবলৈ মাহঁত দায়বদ্ধ, কাৰণ মইতো নিজে বিয়া হোৱা নাছিলোঁ, ঘৰৰ মানুহেহে মোক বিয়া হ'বলৈ বাধ্য কৰিছিল।

আজিয়ে শেষ বাৰৰ বাবে সেইখন ঘৰৰ বাবে মই বজাৰ কৰিলোঁ। কাইলৈৰ পৰা মই মুক্ত। ৰঞ্জনৰ দৰে পশুতুল্য মানুহ এজনৰ লগত, তেনেকুৱা লোভী, বৰ্বৰ পৰিয়াল এটাত মই মৰি মৰি জীয়াই থাকিব নোৱাৰোঁ। অতি শীঘ্ৰেই মই আইনগতভাৱে ৰঞ্জনৰ লগত বিবাহ বিচ্ছেদ কৰিম। তাৰ পাছত মই সম্পূৰ্ণ মুক্ত। মই আকৌ পঢ়িম, সমাজত প্ৰতিষ্ঠা লাভ কৰিম আৰু মূৰ তুলি জীয়াই থাকিম। মই জীয়াই থাকিব বিচাৰোঁ। কিন্তু এনেদৰে মৰি মৰি নহয়। মই সম্পূৰ্ণ স্বাধীন, সুস্থ-সবল আৰু মূৰ তুলি জীয়াই থাকিব বিচাৰোঁ। অ' মালাবা, মই জীয়াই থাকিব বিচাৰোঁ।"

মই ভাবিলোঁ, পাৰিবনে বাৰু আইমাই নিজৰ সিদ্ধান্তত অটল হৈ থাকিবলৈ? পাৰিবনে তাই সাহসেৰে বিপদক জয় কৰি জীৱন যুঁজত মূৰ তুলি জীয়াই থাকি বলৈ? এনেদৰে কিমান আইমা, লাঞ্চিত,বঞ্চিতা, শোষিতা হ'ব বাৰু এইখন অন্ধকাৰ সমাজত? হাজাৰটা প্ৰশ্নৰ মাজতো মোৰ কাণত বাজি থাকিল আইমাৰ সেই সৰু মাতেৰে অথচ স্পষ্ট আৰু দৃঢ়ভাৱে কোৱা কথাষাৰ - "অ' মালা বা, মই জায়াই থাকিব বিচাৰোঁ।"

### জানি থওঁ আহা

- ☐ কুকুৰৰ সময়ৰ জ্ঞান নাথাকে।
- ☐ বিশ্বৰ জন্তুসমূহৰ ভিতৰত হাতী একমাত্ৰ জন্তু যি জাঁপ মাৰিব নোৱাৰে।
- ☐ পখিলাই সিহঁতৰ ঠেঙেৰে সোৱাদ লয়।
- ☐ মানুহৰ দৰে কুকুৰ আৰু মেকুৰীও বাওঁহতীয়া নাইবা সোঁহতীয়া হয়।
- ☐ কুকুৰৰ দেহত সৰু-ডাঙৰ সৈতে মুঠ ৩২১ ডাল হাড় থাকে আৰু ৪২ টা দাঁত থাকে।
- ☐ জন্মৰ পৰা ১২ দিন পৰ্যন্ত কুকুৰৰ পোৱালীয়ে সম্পূৰ্ণকৈ চকু নেমেলে আৰু সিহঁতৰ দৃষ্টিশক্তি এমাহৰ পাছতেহে সম্পূৰ্ণ বিকাশ হয়।
- ☐ এটা প্ৰাপ্তবয়স্ক মেকুৰীয়ে ঘণ্টাত ২০ কিঃ মিঃ (১২ মাইল) দৌৰাৰ সামৰ্থ্য থাকে।
- ☐ উটপক্ষীৰ চকু সিহঁতৰ মগজুতকৈ সাধাৰণতে ডাঙৰ
- ☐ হাঁহৰ কেক্ কেকনি কেতিয়াও প্ৰতিধ্বনি নহয়, ইয়াৰ কাৰণ আজিলৈকে কোনেও নাজানে।

# কাম কৰা ছোৱালী

শুদ্ধদেৱ বসুমতাৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

ছোৱালীজনীৰ নাম আছিল ববিতা। সৰুৰে পৰা তাইৰ জীৱনটো যমৰ যাতনা আছিল। জন্মৰ ৫ বছৰ বয়সতে তাইৰ দেউতাক যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। থাকিবলৈ নাই ঘৰ, খাবলৈ নাই চাউল, আছে মাথো এটি জুপুৰি ঘৰ। নিজৰ আপোন বুলিবলৈ তাইৰ দুৰ্ভগীয়া মাতৃৰ বাহিৰে আন কোনো নাই। সেই দুৰ্ভগীয়া মাতৃয়ে দুবেলা দুমুঠি খুজি আনি এসাজ খুৱাই আৰু এসাজ লঘোণে থাকে। পঢ়া শুনা কৰিবৰ বাবে মাকে ববিতাক ওচৰতে থকা এখন এল. পি. স্কুলত নামভৰ্তি কৰাই দিলে যদিও অভাৱৰ কাৰণে ববিতাই তৃতীয় শ্ৰেণীতে পঢ়া জীৱন সমাপ্ত কৰে।

দুখীয়া নিচলা বাবে তাইক কোনেও সংগ নিদিয়ে আৰু তাইক মানুহে লেতেৰা বুলি ঘিণ কৰে। মুখখন বিভিন্ন ধৰণৰ দাগ। তাইৰ সমবয়সীয়া ছোৱালী বোৰৰ সৈতে খেলিবলৈ গ'লে সিহঁতে তাইক অহা দেখি তাৰ পৰা গুচি যায়। হেজাৰ জনৰ মাজত তাই আজি অকলশৰীয়া। মানুহৰ লগত খেলিবলৈ নাপাই, কথা পাতিব নাপাই তাই জীৱ-জন্তুৰ লগতে কথা পাতে, জীৱ-জন্তুৰ লগতে খেলে। আনকি গছৰ লগত কথা পাতে আৰু সিহঁতেও তাইৰ কথা যেন বুজি পায়। এই সকলো বোৰেই যেন তাইৰ সংগী, তাইৰ লগৰী।

তাই আছিল মাটিৰ মানুহ। তাইৰ মনটোআছিল একেবাৰে ফুলৰ নিচিনা কোমল। তাই ঘৰৰ সন্মুখতে এখন ধুনীয়া ফুলৰ বাগিছা পাতিলে। বাগিছাখনত বিভিন্ন ধৰণৰ ফুল। ৰঙা, নীলা, হালধীয়া ৰঙৰ ফুল বাগিছাত ফুলি আছে। তাই বাগিছাখনত অতি যতনেৰে সাৰ-পানী দি সজীৱ কৰি ৰাখে। তাইৰ প্ৰেমত যেন ফুলবোৰে হাঁহে, বতাহত হালি জালি নাচে। তাইৰ লগত বন্ধু-বান্ধৱী নাথাকিলেও তাইৰ লগত সৰু সৰু চৰাই, পখিলা ভোমোৰা আদিয়ে বাগিছাত লুকাভাকু খেলে। তাই বাগিছাখনতে দিনটো কটায়।

সময় বাগৰাৰ লগে লগে তাই ডাঙৰ হবলৈ ধৰিলে আৰু ঘৰৰ সকলোবোৰ কাম তাই পৰিপাটিকৈ কৰিব পৰা হ'ল। এদিন এজন অফিচাৰে কামকৰা ছোৱালী বিচাৰি ববিতা হতৰ ঘৰত প্ৰৱেশ কৰে। মাকে অতি কষ্টৰে অভাৱৰ মাজতে ববিতাক ডাঙৰ দীঘল কৰাৰ উপৰিও কাম বন শিকাইছিল। মাকে ববিতাক পঠিয়াবলৈ স্থিৰ কৰিলে। বেচেৰী ছোৱালীজনীৰ উপায় নাই কাম নকৰিলে খাবলৈ নাপায়। ইফালে মাকো বুঢ়ী হৈ আহিছে, আগতে খুজি মাগি খুৱাইছিল যদিও মাকে এতিয়া চকুৰে ভালকে মনিব নোৱাৰে বাবে খুজিব মাগিবলৈ যাব নোৱাৰে। সেইবাবে মাকে এতিয়া ববিতাক অফিচাৰজনৰ ঘৰত কাম কৰা ছোৱালী হিচাপে যাবলৈ কোৱাত ববিতা মান্তি হ'ল।

বহুদিন হল ববিতাই মাকৰ খবৰ পোৱা নাই আৰু মাকেও ববিতাৰ খবৰ পোৱা নাই। বুঢ়ী আছে ক'ত - ববিতা আছে ক'ত? কোনেও কাৰো খবৰ নাপায়। কোন কেনে আছে - কোনে কি খাইছে। বাৰু বুঢ়ীৰ কথা বাদেই, বুঢ়ীৰ আধ বয়স গ'ল। কিন্তু ববিতাৰ জীৱনলৈ জানো এদিন সুখ ঘূৰি আহিব। হয়তো ভগৱানেও নাজানে এয়া কি লিখন দিছে। এয়া যেন অন্য এক তেজীমলাহে।

চহৰৰ ডাঙৰ মানুহৰ ঘৰত ববিতা আজি কাম কৰা ছোৱালী। গাঁৱৰ পৰিবেশ আৰু চহৰৰ পৰিবেশত জানো ববিতাই মিলিব পাৰিব। ববিতাই ঘৰত শুকান খৰিৰে ৰন্ধা বঢ়া কৰিছিল কিন্তু এতিয়া সিহঁতৰ ঘৰত ৰন্ধা বঢ়া সকলোবোৰ কাম গেছতহে কৰিব লাগে। প্ৰথমতে ববিতাই একোৱেই নাজানিছিল যদিও লাহে লাহে চহৰৰ কাম বন ববিতাই আজি কৰিব পৰা অৱস্থাত।

ঘৰত এজন ল'ৰা - বয়স প্ৰায় ১০-১২ ৰ আৰু ছোৱালী এজনী বয়স প্ৰায় ১৬ বছৰৰ। মুঠতে চাৰিজন আছিল অফিচাৰ জনৰ পৰিয়াল। অফিচাৰ জন সঁচাকৈয়ে ইমান দয়ালু আছিল যে ববিতাক নিজৰ ছোৱালীৰ দৰে ভাল পাইছিল। কিন্তু ঘৈণীয়েক জনী আছিল অহংকাৰী। গিৰিয়েকে ববিতাক মৰম কৰা দেখি ভাল চকুৰে নাচাইছিল। নিজৰ ল'ৰাটো আৰু ছোৱালীজনীক ববিতাৰ লগত থাকিব আৰু যাব নিদিছিল।

কৰ্ম সূত্ৰে মানুহজন আন এখন চহৰত থাকে আৰু মাজে সময়ে চুটি লৈ ঘৰলৈ আহে। ল'ৰা আৰু ছোৱালীও স্কুলতে দিনটো কটায়, কিন্তু সিহঁতে নাজানিছিল যে মাকে ববিতাক কেনে ব্যৱহাৰ কৰিছিল। ঘৰৰ সকলোবোৰ কাম কৰিলেও নিষ্ঠুৰ তিৰোতা গৰাকীয়ে ববিতাৰ ওপৰত যথেষ্ট অত্যাচাৰ চলায়। সিহঁতে খায় গৰম ভাত আৰু ববিতাক দিয়ে বাহি হোৱা ঠাণ্ডা ভাত। সিহঁতে খায় মাছ আৰু ববিতাক দিয়ে সুদাভাত। ইয়াৰ উপৰিও নিজৰ পিন্ধা শাৰী মেখেলা সকলোবোৰ কাপোৰ কানি ধুবলৈ ববিতাৰ ওপৰত জাপি দিয়ে। বেচেৰী ছোৱালীজনীয়ে অলপ সময়ো আহৰি নাপায়। গছ গছনিবোৰে তাই অহালৈহে বাট চাই থাকে। বাটলৈ অহা যোৱা কৰা মানুহবোৰে তাইৰ বাগিছাখন দেখিলে কয় - বাহ! ইমান ধুনীয়া বাগিছা। চাই থাকিলে চাই থাকিবৰ মন যায়। বাগিছাখনে বাটৰ মানুহবোৰক যেন মোহিত কৰে। এই সকলোবোৰ শুৱনি একমাত্ৰ ববিতাৰ বাবেহে। অফিচাৰজনৰ মুখৰ পৰা ববিতাৰ গুণ গৰিমা শুনিবলৈ পাই এজন ল'ৰা ববিতাক চাব অহা কথা। অফিচাৰজন বৰ সুখী হল। কিয়নো এজন ধনী মানুহৰ ঘৰত ববিতা বোৱাৰী হব। এই কথা শুনি অফিচাৰৰ ঘৈনীয়েকে খঙতে জ্বলি পুৰি উঠিল "নিজৰ ছোৱালীজনী থাকোতে মই কেতিয়াও এই কাম কৰা ছোৱালীৰ বিয়াৰ কথা ভাবিব নোৱাৰো।" তাই মনতে ভাবিলে ববিতাক চাবলৈ অহা মানুহবোৰক তাই নিজৰ জীয়েকক দেখুৱাই নিজৰ জীয়েকক বিয়া দিব।

পিছদিনা ববিতাক চাবলৈ মানুহ অহাৰ কথা আৰু ঘৰৰ সকলোবোৰ দায়িত্ব অফিচাৰে তেওঁৰ ঘৈনীয়েকৰ হাতত দিলে। তেতিয়াই অফিচাৰৰ ঘৈনীয়েকে এটা বুদ্ধি সাজিলে "ববিতাক কাইলৈ এটা ঘৰৰ কোঠাত আবদ্ধ কৰি ৰাখিব লাগিব। আৰু ভয় দেখুৱাই কম যে তুমি অহাকালি এই কোঠাটোৰ পৰা বাহিৰ নহ'বা - নহলে তোমাৰ কথা বেয়া হব। কাৰণ মোৰো এজনী গাভৰু ছোৱালী আছে বিয়া দিবলৈ আৰু মোৰ ছোৱালীজনী থাকোতে তোমাৰ বিয়া অসম্ভৱ। তুমি হৈছা এখন সাধাৰণ ঘৰৰ ছোৱালী। গতিকে তুমি নহয় বৰং মোৰ ছোৱালীয়ে বিয়াত বহিব। আৰু নিজৰ ছোৱালীজনীক কব যে - 'মা অহাকালি তোমাক চাবলৈ ধনী মানুহৰ পৰিয়াল আহিব তুমি কালি ঘৰতে থাকিবা। আচলতে ছোৱালীজনীও নাজানিছিল যে ববিতাকহে চাব আহিব।"

পিছদিনা প্ৰায় ১০ মান বজাত ববিতাক চাবলৈ মানুহ কেইজনমান আহিল। মাকৰ লগত সকলোবোৰ কথা হৈ তেওঁলোকে কইনাজনীক চাবলৈ বিচাৰিলে। মাকে জীয়েকক মাতিলে কিন্তু জীয়েকে কান্দি কান্দি ভিতৰৰ পৰা ওলাই আহিল আৰু মানুহবোৰে আচৰিত হল। জীয়েকজনীয়ে কলে মা তুমি এয়া কি কৰিছা। তুমি ইমান নিষ্ঠুৰ বুলি মই সপোনতো ভবা নাছিলো। এখেতসকলে জানো মোক চাব আহিছে। সৌৱা ববিতা বাইদেউৱে কেনেদৰে কান্দিব ধৰিছে। মানুহবোৰে সকলো কথা গম পাই তাৰ পৰা গুচি গ'ল। মাকে লাজ পাই খঙতে জ্বলি পুৰি উঠি জীয়েকক চৰ এটা মাৰি ভিতৰলৈ গ'ল। মানুহবোৰে অফিচাৰজনক সকলোবোৰ কথা ভাঙি পাতি কলে। এতিয়াহে অফিচাৰজনে জানিলে ঘৈনীয়েক কেনে স্বভাৱৰ।


পিছে ববিতাৰ বিয়াৰ দায়িত্ব এইবাৰ অফিচাৰে ল'লে। পুনৰ আন এঘৰ মানুহৰ লগত কথা বতৰা হৈ বিয়াৰ তাৰিখ ঠিক কৰিলে। বিয়ালৈ মাত্ৰ চাৰিমাহ থাকোতে এদিনাখন তাইক ঘৰৰ পৰা খেদি দিলে। বেচেৰী ছোৱালীজনীৰ আপোন বুলিবলৈ কোনো নাই। মাকৰ মৃত্যু হোৱা প্ৰায় দুবছৰে হল। কিন্তু ইমান শাস্তি খাই কেনেকৈনো থাকে, যায় বা ক'লৈ? উপায় নাপাই ববিতাই আত্মহত্যা কৰিবলৈ থিক কৰিলে আৰু অফিচাৰজনলৈ এই সকলো শাস্তি আৰু আত্মহত্যাৰ কথা জনাই এখন চিঠি লিখি পঠিয়ালে।

তাই গৈ এখন নদীৰপাৰত বহি আকাশৰ বুকুত জিলিক থকা তৰাবোৰৰ ফালে চাই কান্দি কান্দি কলে "দেউতা - দেউতা তুমি ক'ত আছা? মা - মা তুমিও ক'ত আছা? তোমালোকে দেখিছানে মোৰ বিলাই। মানুহৰ নিষ্ঠুৰতাৰ মাজত মই আৰু জীয়াই থাকিব নোৱাৰো। মই তোমালোক য'ত আছা তালৈকে গুচি যাম।" বুলি চিঞৰি চিঞৰি কলে। আৰু নৈৰ বুকুত জাপ মাৰি নৈৰ সৈতে মিলি গ'ল।

সিদিনাখনৰ পৰাই অফিচাৰজনৰ ঘৰৰ বাগিছাৰ গছবোৰে আৰুফুলবোৰে তাইৰ দুখতে যেন আত্মহত্যা কৰিছে। ফুল-গছবোৰ শুকাই গ'ল, চৰাইবোৰেও কৰবালৈ গুচি গ'ল। নিজানৰ ফুল নিজানতে ফুলি নিজানতে মৰহি গ'ল। মানুহৰ ঘৰত জন্ম লৈয়ো মানুহৰ মৰম স্নেহ নোপোৱাকৈ ববিতা হেৰাই গ'ল।

# এখন কিতাপ

মিচ অঞ্জুমান বাভা
স্নাতক ২য় বৰ্ষ



মাকে তাইক বিচাৰি ফুৰিছে, তেওঁৰ ১ নম্বৰ ছোৱালী জনী ক'লৈ গ'ল? মাক ৰেৱতীয়ে গাওঁৰ দুই এঘৰ মানুহক সুধিলে যে গৌৰী গ'ল ক'ত? গৌৰী হ'ল ৰেৱতীৰ ১নম্বৰ ছোৱালী। তাই তৃতীয় শ্ৰেণীৰ ছাত্ৰী। স্কুলৰ পৰা আহি তাই অলৌ তলৌকৈ ঘুৰি ফুৰে। কেতিয়াবা তাই ভাত কেইটা নোখোৱাকৈ খেলিবলৈ যায়। মাকে বিচাৰিহে তাইক ভাত খুৱাব লগীয়া হয়। সন্ধিয়া পঢ়াৰ সময়ত মাকে গৌৰীক তক্তা এখনত পঢ়িব দি ভাত ৰান্ধিবলৈ ধৰে। মাকে লগত এডাল এচাৰি লৈ থাকে যাতে গৌৰীয়ে পঢ়াত অবহেলা নকৰে। মাকে তাইক চিঞৰি চিঞৰি পঢ়িবলৈ দিয়ে। যাতে ভুল হ'লে মাকে ৰান্ধনি ঘৰৰ পৰাই ভুলটো শুধৰাই দিব পাৰে।

গৌৰী ৰাতিপুৱা উঠিয়ে সদায় পঢ়া খিনিকে চিঞৰি চিঞৰি পঢ়ে। পঢ়া শেষ হ'লত মাকে তাইক পৰিস্কাৰ কৰি ভাত পানী খুৱাই লগৰীয়াৰ সৈতে স্কুললৈ পঠিয়ায়। তাই স্কুললৈ যায় সঁচা। কিন্তু তাই মাজ বাটত পোৱা দলং খনৰ কাষত থকা কেকোৰা গাঁতবোৰত হাত সোমোৱাই কেকোৰা উলিওৱাতো তাইৰ বাবে বৰ আনন্দৰ কথা। যেতিয়া স্কুল চুটিৰ সময় হয় তেতিয়া তাই বোকাৰে লুটুৰ পুতুৰ হৈ ঘৰ আহি পায়হি। কেতিয়াবা গৌৰীয়ে লগৰীয়াৰ সৈতে পুখুৰীত গা ধুই থাকে আৰু স্কুল চুটিৰ সময়ত ঘৰলৈ উভতে। এই কথা গাঁৱৰ মানুহে মাক ৰেৱতীক অবগত কৰায়। মাক ৰেৱতীয়ে গৌৰীক খঙতে হেপাহ পলুৱাই মাৰে। গৌৰীয়ে কিতাপ পঢ়িব নোৱাৰাৰ কাৰণে শিক্ষকৰ মাৰ খাই স্কুললৈ নাযায়। দুষ্টামি কৰাৰ বাবে মাকৰ মাৰ খোৱাত তাইৰ অৱস্থা দুখ লগা হ'ল। গৌৰীৰ দেউতাক এজন সাধাৰণ কেৰাণী। দেউতাকে তাইক নামাৰি মৰম সাদৰ কৰি ৰাতি কিতাপ পঢ়ুৱাবলৈ ধৰিলে। নানা ধৰণৰ ছবি থকা সাধু কিতাপ তাইক আনি দি পঢ়াত মনোযোগ দিয়ালে। লাহে লাহে তাই কিতাপ নিজে পঢ়িব পৰা হ'ল। দেউতাকৰ মৰম আৰু বিশেষকৈ সাধু কিতাপৰ ছবি বোৰে তাইৰ কণমানি জীৱন সলনি কৰি দিলে।

## কুইজ

শ্ৰীজ্যোতিময় ভৰালী
উঃ মাঃ প্ৰথম বৰ্ষ

১। বৰষুণ দিয়া গছ ক'ত আছে?
২। গৰুৰ পাকস্থলী কেইটা?
৩। কোন জন্তুৱে চকু আৰু নাকেৰে উশাহ লয়?
৪। আটাইতকৈ দ্ৰুতগামী জলজন্তু কি?

১। দক্ষিণ আফ্ৰিকাত
২। চাৰিটা
৩। হৰিণ
৪। হাংগৰ

# ইষ্টানবুলত অকলে

পুলক তালুকদাৰ
প্ৰবক্তা ইংৰাজী বিভাগ

বসকৰাচ নদী সন্ধিয়াৰ নিঃসঙ্গতাত আৰু অধিক নীলা হৈ পৰিছিল। দুৰৈত দুই এক সামুদ্ৰিক চৰাই। আকাশৰ মেঘ নতুন শিল্পীৰ বাৎসল্য ৰঙৰ মোহজড়িত ছবিৰ আকাশৰ দৰে। বসকৰাচনদীৰ তলৰ মাছবোৰৰ লগত মই কথা পাতি আছিলো। এজন জাৰ্মান ট্যুৰিষ্ট। ওখ শকত ৰঙাচালৰ মানুহ এজন। তেওঁ কৈ থকা দুই এটা শব্দ বুজিছিলো। চিগাৰেট টানি আছে। পকেটত চালো, চিগাৰেট নাই। ভিক্ষাৰীৰ দৰেমানুহজনক এটা চিগাৰেট খুজিলো। মোৰ ফালে চালে মানুহজনে। এটা লেতেৰা জিনচ আৰু পুৰনি টি ছাৰ্টেৰে ইষ্টানবুলত মোক নিশ্চয় ভিক্ষাৰী যেনেই লাগিছে। এটা ছিগাৰেট উলিয়াই দিলে অৱশ্যে। সুধিলে তুৰ্কী ? না মই এজন পলাতক ভাৰতীয়। তেওঁ বৰ ইংৰাজী বুজি নাপালে।

তেওঁ আঁতৰি যোৱাত চিগাৰেটটো উলিয়াই ললো। বসকৰাচ নদীৰ দলঙৰ এটা কোণত বহি ললো। অজস্ৰ মায়া আৰু অজস্ৰ উদ্দেশ্যহীনতা। সন্ধিয়া নামি আহিছে। দূৰৈৰ নাও, ওচৰৰ চহৰ তিৰ বিৰ কৰি উঠিছে কৃত্ৰিম পোহৰত। নদীৰ নীলা বুকুত তল্যাতল কৰিছে পোহৰ।

এইফালে ইউৰোপ আনফালে এচিয়া। ৰোমান সকলৰ সৃষ্টি এই কনষ্টানিবল নানা বৰণৰ নানা গতিত আজিৰ ইষ্টানবুল। মোৰ উদ্দেশ্য মই কলৈ যাম। প্ৰধান ৰাস্তাৰে বহু দুৰ খোজ কাঢ়ি আহিলো। কিমান দুৰ মনত নাই। বসকৰাচ নদীৰ কাষত সেয়া ৰূমেলী দুৰ্গ। ইতিহাসে মোলৈ চাইছে। মোক মনত ৰাখিব পাৰে নেকি ? ইতিহাসক হতাশ কৰি মই খোজ লৈছো চহৰৰ মাজত। নানাবিধ মচলা আৰু খাদ্য বস্তু। জ্বলমল কৰিছে গহনাবোৰ। মোৰ ভাৱ হৈছে ইষ্টানবুলৰ বজাৰত মই হেৰাই গৈছো।

কফিৰ মলমলীয়া গোন্ধত ৰৈ গলো। মিলান কুন্দেৰা কফি হাউচ। মিলান কুন্দেৰা নামটো মই জানো। তেওঁ কৈছিল মই যেতিয়া ভাবো ভগৱানে হাঁহে। ভগৱানৰ হাঁহিত সৃষ্ট হয় কলা মিলনৰে। 'Incredible Lightness of Being' জীৱনৰ আশ্চৰ্যময় লঘুত্ব অত্যন্ত পাতল উৰি ফুৰা ... উৰি ফুৰা তথাপি চৰাই হব নোৱাৰা। মোৰ ফালে চাই হাঁহি থকা ছোৱালীজনী ভগৱান নাছিল। সেউজীয়া চামৰা লগোৱা চকীত মই ওপৰৰ ফালে মূৰ কৰি চকু মুদি আছিলো কফি হাউচখন নিৰ্জন হৈ আছিল।

তাই ইংৰাজীতে সুধিলে ঃ "May I help you, It will be guest, if I can have a cup of Coffee.

"Yes whynot"

কফিৰ ধোৱাই মোক সপোনটোক বাৰ্তা দিয়া নাছিল। মোৰ মুচাফিৰ মনটোক আৰু বেছি চঞ্চল কৰি তুলিছিল। কফি কাপ খাই ললো।

ৰাস্তাৰে ঘূৰি ফুৰিছো। অক্টাভিঅ'পাজৰ এটা কবিতা গুণ গুণাইছো ঃ

“এটা দীঘল নিৰ্জন ৰাস্তা। অন্ধকাৰত খোজ দিও মই উজুতি খাই পৰি যাও। উঠো অন্ধৰ দৰে খোজ দিওঁ। গছকি যাওঁ শুকান গছৰ পাত আৰু নীৰৱ শিল। মোৰ পিছে পিছে আন এজনেও শিল গ্যতত খোজ দিছে, মই যদি ধীৰ হও সিও কমাই গতিবেগ। মই দৌৰিলে সিও দৌৰে। ঘূৰি চাও কোনো নাই।

সকলো বস্তু সি আন্ধাৰ আৰু দুৱাৰ বিহীন কেকুৰিৰ মাজে মাজে ঘূৰাই ঘূৰাই ৰাস্তালৈ ঠেলি দিয়ে মোক।

য'ত কোনেও মোক অপেক্ষা নকৰে। কোনেও মোৰ পিছে পিছে নাহে। য'ত মই এজন মানুহৰ পিচ লও সি উজুতি খাই পৰে, উঠেযেতিয়া ঘূৰি চাই দেখে মোক কয়, কোনো নাই।”

ইষ্টানবুলত ৰাতি হৈছে। চহৰৰ ৰং বিৰঙৰ পোহৰে মোক ফাকি দিছে। মই পিছে গম ৰাখিছো ৰাতি হৈছে আৰু বলিয়া কুকুৰৰ দৰে নিঃসঙ্গতাত ৰাস্তাত দৌৰি ফুৰিছো এটা মাতাল মানুহে চিঞৰি চিঞৰি কৈছেঃ মই বাৰু ঘূৰি আহিম নেকি? মই এৰি নাযাও এই চহৰ। মানুহজন কৰবাত দেখিছো। মানুহজনে কৈছে মোৰ নাম ৰক্তবৰ্ণ। মই তুষাৰপাত দেখিছো এই ইষ্টানবুলত। মানুহজনে দৌৰি গৈছে। আন্ধাৰত নাইকীয়া হৈছে মানুহজনক মই চিনি পাওঁ। তেওঁৰ নাম ৰক্তবৰ্ণ। ৰাতিৰ ৰাস্তাত তেওঁ কেতিয়াবা অকলে ঘূৰি ফুৰে। বহুতে কয় তেওঁ এজন মৃত শিল্পীৰ আত্মা।

ৰক্তবৰ্ণৰ পিছে পিছে মইও দৌৰিলো। জাক জাক নিঃসঙ্গতাৰ বলিয়া কুকুৰবোৰ মোৰ পিছে পিছে দৌৰিলে। দৌৰি দৌৰি আকৌ আহি পালো বসকৰাচ নদীৰ পাৰ। আশ্চৰ্যকৰ। সকলো পোহৰক ম্লান কৰিও, আন্ধাৰক নেওচিও নীলা হৈ আছে বসকৰাচ। বসকৰাচ যোৱা নাই, হয়তো প্ৰচ্ছন্ন নীলাভ আবেগে এই নদীটোৰ টোপনি কাঢ়ি নিছে। সেই নদীৰ আবেগে মোক বাউল দি মাতিছে।

নাতি দূৰৈত তিনিটামান ছাঁ। সৰু একুৰা জুইৰ পোহৰত সিহঁতে কথা পাতিছে। দুজনী গাভৰু আৰু এজন ল'ৰা উচ্চ সুৰত কথা পাতিছে। বসকৰাচ নদীৰ নীল আন্ধাৰৰ আৰ লৈ এটা শিলত মই নদীখনৰ প্ৰেমত পৰিছো। মোৰ প্ৰেমৰ কথা গম পাই কিশোৰী ছোৱালীৰ দৰে চঞ্চল হৈ পৰিছে বসকৰচ। এজাক চৰায়ে কৈছে ইম্মান প্ৰেম ভাল নহয় দেই। খিল খিলাই হাঁহি বতাহ জাক উৰি গৈছে।

এটা ছাঁ আগুৱাই আহিছে। ছাঁ এটা আগুৱাই আহিছে মোৰ ফালে, বিষন্ন সেই ছাঁ কোনোবা নাৰীৰ। নাৰীৰ ছাঁ অন্ধকাৰত আৰু বিষন্ন হৈ পৰে। তাই মোক দেখা নাই। মোৰ কাষেৰে শিলছটাত বহি তাই হুমুনিয়াহ কাঢ়িছে। এটোপাল হীৰাৰ দৰে চকুপানী তাইৰ সৰি পৰিছে। মই নাওঁৰ পোহৰত সেই চকুপানী এডাল সেউজীয়া ঘাহত সৰি পৰা দেখিছো। ঘাহ ডাল সাৰ পাই উঠিছে। অ' মোৰ মৰমৰ ছোৱালী। ঘাঁহ-ডালে কৈছে। তাই মই ভগৱান বুলি ভুল কৰা কফি হাউচৰ ছোৱালীজনী।

ছোৱালীজনীয়ে মোক দেখিলে। তাই চিঞৰি দিব বুলি ভাবিছিলো। কিন্তু তাই হাঁহিলে। তাইৰ হাহি ভগৱানৰ হাহিৰ দৰেই নিঃআকাৰ আৰু উজ্বল। তাই মই নুবুজা ভাষাৰে কিবা কলে। মই মাথো তাইৰ চকুৰ পতাৰ তলৰ বিষন্নতাৰ আন্ধাৰ দেখিছো। জোনাকী পৰুৱাৰ দৰে তাইৰ চকুপানী। প্ৰেমাদৰ আৰু বিষন্ন নাৰীয়েই বোধহয় আটাইতকৈ সুন্দৰ আৰু উদাৰ। তাই ক'লে, মুচাফিৰ, তুমি কিমান ভাগৰুৱা?

মই কলো, মকৰাজাল আৰু এলান্ধুৰ মাজত চাৰি হেজাৰ বছৰ মই অনিদ্ৰাৰে পাৰ কৰিছো। তাই চকুৰে ইংগিত দি কলেঃ মোৰ কোলাত শুবা নেকি?

"তোমাৰ নাম?

আয়েসা, তাই ক'লে।

আয়েসা তোমাক বিচাৰিয়েইতো মই ইষ্টানবুললৈ আহিছো।

ৰাতি পুৱাইছে। কেনেকৈ মই এই উদাস ৰুমটোত সোমালো। কোনে মোৰ নীলা ফেনখন ইয়ালৈ আনিলে। মোৰ এই কম্পিউটাৰ, মোৰ সাহিত্যৰ কিতাপৰ ৮৮৮ পৃষ্ঠা খোলা। Octavio Paz ৰ কবিতা এটা। দেশ আলোচনীখনত বসকৰাচ নদীৰ আলোকছবি। দূৰৈত মোৰ ভগা গিভচন গীটাৰ। মোক আয়েসাই ছাগে ইয়ালৈ লৈ আহিল। দূৰৈত হাঁহি আছে ভগৱানৰ মূৰ্তি এটাই।

দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিলো। এজন মানুহ খোজ লৈছে। উজুতি খাইছে ঘূৰি চাইছে। একো নকৈ আকৌ খোজ লৈছে। মোৰ পিছফালে দীঘল ৰাস্তাৰ কৰবাত এজন মানুহে শিল গাত গচকিছে। ঘূৰি চাইছো। কোনো নাই।

মূৰৰ ওপৰেদি এজাক চৰাই উৰি গৈছে। এই জাক চৰাইক মই ইষ্টানবুলত দেখিছিলো।